DAILY ASSAM

K1M7N4

পাঠ ২

ৰেফ্ যোগ-ক্ ৰ্ ম্ ত্ য্ জ্ ণ্ শ্

কেৰ্কেটুৰালৈ মৰম

ছবিকেইখন চাই ক্রম অনুসৰি কাহিনীটো সজাই কোৱা।

সাধুটোৰ পৰা কি কি শিকিলা দলত আলোচনা কৰা।

তুমি জনা সাধু এটা তোমাৰ কথাৰে কোৱা।

গাওঁ আহা

কেৰ্কেটুৱা কেৰ্কেটুৱা
নাকান্দিবা তুমি,
পোৱালিটো আনিছিলোঁ
দুখ পাইছে বুলি।
খুৱাই বুৱাই ৰাখিছিলোঁ
মৰম-চেনেহ কৰি,
ঘূৰাই দিছোঁ পোৱালিটো
ৰাখা যতন কৰি।

কেৰ্কেটুৱাৰ পোৱালিটো তাৰ মাকৰ বৰ মৰমৰ।
তুমি কাৰ কাৰ মৰমৰ?

মই পেহীৰ মৰমৰ।

মই .....

মই .....

মই .....

মই .....

☞ বহুভাষিক পৰিৱেশত থকা শিকাৰুক নিজৰ নিজৰ ভাষাত সাধু ক'বলৈ দিব।

☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

কেৰ্কেটুৱা ৰ্ক ৰ+ক ৰৈ কৈ ৰ্ক — তৰ্ক, সতৰ্ক

ৰ্ব	ৰ + ব	ৰৈ বৈ	ৰ্ব — গৰ্ব, পৰ্বত
ৰ্ম	ৰ + ম	ৰৈ মৈ	ৰ্ম — ধৰ্ম, নৰ্মদা
ৰ্ত	ৰ + ত	ৰৈ তৈ	ৰ্ত — ধূৰ্ত, কৰ্তব্য
ৰ্য	ৰ + য	ৰৈ যৈ	ৰ্য — কাৰ্য, অনাৰ্য
ৰ্জ	ৰ + জ	ৰৈ জৈ	ৰ্জ — দৰ্জা, নিৰ্জন
ৰ্ণ	ৰ + ণ	ৰৈ ণৈ	ৰ্ণ — বৰ্ণ, সুৱৰ্ণ
ৰ্শ	ৰ + শ	ৰৈ শৈ	ৰ্শ — অৰ্শ, আদৰ্শ

ৰ-ৰ লগত অন্য আখৰ যোগ হ'লে **ৰ**-ৰ ৰূপ সলনি হৈ ৴ (ৰেফ) হয় আৰু লগ হোৱা আখৰটোৰ ওপৰত বহে।

ৰেফ (৴) যোগ কৰি যুক্তাক্ষৰ গঠন কৰোঁ আহা

ৰ + ক	ৰৈ কৈ	ৰ্ক
ৰ + ব	ৰৈ বৈ	ৰ্ব
ৰ + ম	ৰৈ মৈ	ৰ্ম
ৰ + ত	ৰৈ তৈ	ৰ্ত
ৰ + য	ৰৈ যৈ	ৰ্য
ৰ + জ	ৰৈ জৈ	ৰ্জ
ৰ + ণ	ৰৈ ণৈ	ৰ্ণ
ৰ + শ	ৰৈ শৈ	ৰ্শ

পঢ়োঁ আহা

র্ক	তর্ক	সতর্ক	কর্কৰা	কেৰ্কেটুৱা
র্ব	গর্ব	খর্ব	পর্ব	পর্বত
র্ম	ধর্ম	কর্ম	বর্ম	নর্মদা
র্ত	আর্ত	ধূর্ত	কর্তব্য	কীর্তন
র্য	কার্য	ধৈর্য	সূর্য	আর্য
র্জ	দর্জা	নির্জু	অর্জুন	নির্জন
র্ণ	বর্ণ	কর্ণ	সুৱর্ণ	বিবর্ণ
র্শ	অর্শ	দর্শন	আদর্শ	নিদর্শন

DAILY ASSAM

পীড়িতজনৰ দুখ দেখি মাদাৰ টেৰেছাই চকুলো টুকিছিল। ৰুগীয়াসকলৰ কৰুণ আর্তনাদে তেওঁৰ হিয়া চূর্ণ-বিচূর্ণ কৰিছিল। তেওঁ দুর্গত লোকসকলৰ বাবে 'নির্মল হৃদয়' নামৰ আৱাসগৃহ সাজিছিল। এনেবোৰ কামেৰে তেওঁ মহান আদর্শ দাঙি ধৰিছিল।

যুক্তাক্ষৰ ভাঙা।

আর্ত র্ত = ৰ + ত

ধূর্ত ..... কার্য .....

ধর্ম ..... দর্জা .....

সূর্য ..... পর্বত .....

কর্ণ ..... অর্শ .....

শব্দ সাজা।

র্ক .....

র্ব .....

র্ম .....

র্ত .....

র্শ .....

র্জ .....



☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

কি কৰি ভাল লাগে দলত আলোচনা কৰা।

জানো আহা

কিছুমানে চৰাই, কেৰ্কেটুৱা, শহা আদি ধৰি সজাত ভৰাই মৰম আদৰ কৰি ৰাখে। ইহঁতক অবাবত সজাত ভৰাই ৰখা উচিত নহয়। তোমালোকে কেতিয়াবা চৰাই ধৰি সজাত ৰাখা নেকি? তেনে কৰিলে চৰায়ে মনত বৰ বেজাৰ পায়।

চাই চাই লিখা।

বিপদত ধৈর্য ধৰা উচিত।

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী